**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা পৰিলক্ষিত হৈছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটাদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম সমষ্টিত জন আশীৰ্বাদ যাত্ৰাত অংশ লয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি নতুন বৰ অসম যাত্ৰাৰ অংশ হিচাপে মৰাণৰ তিলৈত আয়োজিত চাহ মজদুৰ আদিবাসীসকলৰ মহা সন্মিলনত অংশগ্ৰহণ কৰে।

ইপিনে সমাগত বিধানসভা নিৰ্বাচনত দেউৰী জনগোষ্ঠীৰ প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সুযোগ দিয়াৰ দাবী জনাই আজি ধেমাজিত দেউৰী ছাত্ৰ সন্থাই এখন সংবাদমেলৰ আয়োজন কৰে। সংগঠনটোৱে ৰাজ্যৰ যিকোনো এটা সমষ্টিত জনগোষ্ঠীটোৰ এগৰাকী প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতাৰ সুযোগ দিবলৈ বিজেপি মিত্ৰজোঁট অথবা আন ৰাজনৈতিক দলসমূহক আহ্বান জনায়।

oooooooo

বজালী সমষ্টিৰ নিত্যানন্দ ভৰন হাইস্কুল খেলপথাৰত আজি অসম জাতীয় পৰিষদৰ এখন কৰ্মী সমাৰোহ অনুষ্ঠিত হয়। সভাত অংশ লৈ অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সংগঠন সম্পাদক চিত্তৰঞ্জন বসুমতাৰীয়ে বিজেপিৰ আশীৰ্বাদ যাত্ৰাৰ সমালোচনা কৰে। তেওঁ লগতে বিজেপিয়ে বহু বছৰ শাসনত থাকিও ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ মৰ্যাদা দিব নোৱাৰিলে বুলি অভিযোগ তোলে। শ্ৰীবসুমতাৰীয়ে বজালী সমষ্টিৰ পৰা অসম জাতীয় পৰিষদে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি প্ৰকাশ কৰে। এই সভাতে আজি বহুকেইগৰাকী যুৱকে জাতীয় পৰিষদত যোগদান কৰে।

oooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কোকৰাঝাৰ জিলাত কালিৰে পৰা প্ৰিজাইডিং বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ আৰু সুচাৰুৰূপে সম্পন্ন হোৱাটো নিশ্চিত কৰিবৰ বাবে প্ৰিজাইডিং বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। জিলাখনৰ বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু গোসাঁইগাঁৱত থকা ছেইণ্ট এন্থনীজ মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত বিষয়াসকলক নিৰ্বাচনী প্ৰক্ৰিয়া, প্ৰিজাইডিং বিষয়াৰ কৰ্তব্য আৰু দায়িত্ব ইভিএম আৰু ভিভিপেট পৰিচালনাৰ নিয়মকে ধৰি অন্যান্য যাৱতীয় নিয়মাৱলীৰ বিষয়ে অৱগত কৰোৱা হৈছে। জিলা আয়ুক্ত তথা কোকৰাঝাৰ জিলাৰ নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে এই প্ৰশিক্ষণ কাৰ্যসূচী পৰিদৰ্শন কৰি প্ৰিজাইডিং বিষয়াসকলক নিকা আৰু স্বচ্ছভাৱে নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালনাৰ গুৰুত্ব সন্দৰ্ভত অৱগত কৰে।

oooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হয়। ডিব্ৰুগড় জিলা কুস্তি সন্থাৰ উদ্যোগত আয়োজিত নাৰী দিৱসৰ অনুষ্ঠানত বিশিষ্ট লেখিকা শিপ্ৰা ফুকন আৰু আন্তঃৰাষ্ট্ৰীয় জুডো খেলুৱৈ ধৰিত্ৰী

সোণোৱালক কনকলতা বঁটা আগবঢ়োৱা হয়। এই অনুষ্ঠানতে সাংস্কৃতিক কৰ্মী নৱনীতা শইকীয়া, সমাজসেৱী জানকী কৰ্মকাৰ আৰু চিকিৎসক ডাঃ চয়নিকা বৰাক জয়মতী বঁটা প্ৰদান কৰা হয়। চিৰাং জিলাৰ বিজনীৰ বড়ো কালীবাৰীত নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি, ভাৰতীয় বাণিজ্য সংস্থা কেন্দ্ৰ, অসম ৰাজ্যিক কৃষক সভা, অসম কৃষি শ্ৰমিক সন্থা, ভাৰতীয় ছাত্ৰ ফেডাৰেচন আৰু গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। তামুলপুৰ জিলাৰ কচুবাৰীত আয়োজিত নাৰী দিৱসৰ কাৰ্যসূচীত সংহত শিশু উন্নয়ন প্ৰকল্পৰ মুখ্য সেৱিকা গীতাঞ্জলি তালুকদাৰে সুস্থ সমাজ গঢ়াত মাতৃৰ ভূমিকা তথা সমাজবিৰোধী কাৰ্যৰ প্ৰতি মহিলাসকলক সজাগ হ'বলৈ আহ্বান জনায়। কাৰ্বি আংলং জিলা মহিলা সমিতিৰ উদ্যোগত বোকাজানত নাৰী দিৱস উপলক্ষে এখন সভা অনুষ্ঠিত হয়। এই দিৱসৰ লগত সংগতি ৰাখি কোকৰাঝাৰ জিলাত আয়োজিত এটা অনুষ্ঠানত পুতুলী বৰগয়াৰী নামৰ এগৰাকী মহিলাক উত্তৰ-পূব গৱেষণা আৰু সামাজিক কাৰ্য নেটৱৰ্কিং প্ৰতিষ্ঠানে মহিলা উদ্যমী বঁটা প্ৰদান কৰে। মহিলাগৰাকীয়ে এই প্ৰতিষ্ঠানৰ সমীপতে এখন সৰু চাহৰ দোকান দি পৰিয়াল পোহপাল দিয়াৰ লগতে নিজৰ সন্তানকো শিক্ষাৰ সুবিধা দিছে বুলি আমাৰ কোকৰাঝাৰৰ সংবাদদাতাই জনাইছে।

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত আজি দেশজুৰি মহিলা এথলিটসকলক সৱলীকৰণৰ লক্ষ্যৰে **অস্মিতা লীগ** অনুষ্ঠিত কৰা হয়।

০০০০

অসম সাহিত্য সভাৰ মুখ্য শিক্ষা সংসদৰ উদ্যোগত আজি গুৱাহাটীৰ জিলা পুথিভঁৰালত এখন শৈক্ষিক অভিৱৰ্তন অনুষ্ঠিত হয়। এই অভিৱৰ্তনত অসম সাহিত্য সভাৰ মুক্ত শিক্ষা পাঠ্যক্ৰমৰ সংসদৰ ব্যৱস্থাৰে সমাজত শিক্ষাৰ প্ৰসাৰ শিক্ষক-শিক্ষয়িত্ৰী তথা সাহিত্যপ্ৰেমীৰ মাজত সমন্বয়ৰ মঞ্চ হিচাপে চিহ্নিত কৰাৰ উপৰি অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে বুলি সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰাই উল্লেখ কৰে।

০০০০

ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ সৈতে যোৰহাট জিলাৰ জয় শিৱানীয়ে আজি সন্ধিয়া যোৰহাট কেন্দ্ৰীয় কাৰাগাৰৰ সমীপত নিৰ্মীয়মান স্বাধীনতা স্মাৰক উদ্যান আৰু সংগ্ৰহালয় প্ৰকল্প পৰিদৰ্শন কৰে। তেওঁলোকে লগতে কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত সংশ্লিষ্ট বিষয়াৰ সৈতে মত-বিনিময় কৰে। পৰিদৰ্শন কালত মুখ্য সচিব আৰু জিলা আয়ুক্তই লোক নিৰ্মাণ বিভাগক অট্টালিকাসমূহৰ কাম শীঘ্ৰেই সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে নিউজিলেণ্ডক জয়ৰ বাবে ২৫৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচ উইকেটৰ বিনিময়ত ২৫৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ সঞ্জু চেমছনে সৰ্বাধিক ৮৯ ৰাণ কৰাৰ লগতে ঈষাণ কিষাণে ৫৪ ৰাণ কৰে। অপেনাৰ বেটচমেন অভিষেক শৰ্মাই ২১টা বলত ৫২ ৰাণ কৰি দলৰ আত্মবিশ্বাস বৃদ্ধি কৰে। নিউজিলেণ্ডৰ জেম্ছ নীছমে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে আমালৈ বাতৰি অহাৰ পৰলৈ ৫ অভাৰত ৩টা উইকেট হেৰুৱাই ৪৭ কৰি খেলি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ